# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-JUNE-2026
**Time :** 09-00 AM

***Assamese Morning Bulletin***

———————————————

১। বিগত ৩ বছৰত মানস ৰাষ্ট্ৰীয় উদ্যানত গঁড় আৰু বাঘ চিকাৰৰ এটাও ঘটনা সংঘটিত হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। ৰাজ্যত শীঘ্ৰে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত জনগোষ্ঠীৰ জৰীপ প্ৰক্ৰিয়া।

৩। জনসাধাৰণক স্বচ্ছ আৰু নিৰাপদ ইন্ধন যোগানৰ বাবে মুখ্যমন্ত্ৰীৰ মঙলদৈ আৰু তেজপুৰত পি এন জি আৰু চি এন জি প্ৰকল্প উদ্বোধন।

৪। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন। **আৰু**

৫। বিশ্বকাপত মেছিৰ হেট্ৰিক, এমবাপ্পেৰ দুটা গ'লেৰে আৰ্জেণ্টিনা আৰু ফ্ৰান্সৰ অভিযান আৰম্ভ।

000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ কঠোৰ পদক্ষেপৰ ফলত ৰাজ্যত গঁড় চিকাৰৰ ঘটনা ক্ৰমাৎ শূন্যলৈ হ্ৰাস পাইছে। বন বিভাগৰ তথ্য অনুসৰি ২০২১ চনৰ পৰা ২০২৬ চনলৈকে চোৰাং চিকাৰীৰ হাতত মাত্ৰ ৭ টা গঁড়ে প্ৰাণ হেৰুৱাইছে। ইয়াৰে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত ২০২১ ত দুটা, ২০২৩ ত এটা আৰু ২০২৪ চনত দুটা গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰাৰ বিপৰীতে ২০২৩ চনত মানস আৰু ওৰাঙত এটাকৈ গঁড় চোৰাং চিকাৰীয়ে হত্যা কৰে।

ইপিনে, বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত মানস ৰাষ্ট্ৰীয় উদ্যানে নতুন নিদৰ্শন দাঙি ধৰিছে। বিগত ৩টা বছৰত উদ্যানখনত গঁড় আৰু বাঘ চিকাৰৰ এটাও ঘটনা সংঘটিত হোৱা নাই বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বহু বছৰ ধৰি অসমৰ বনাঞ্চলত চোৰাং চিকাৰে ভাবুকিৰ সৃষ্টি কৰি আহিছিল যদিও বন বিভাগৰ বিষয়া-কৰ্মীৰ অক্লান্ত নিষ্ঠা, সাহস আৰু নিৰৱচ্ছিন্ন সুৰক্ষা ব্যৱস্থাৰ ফলস্বৰূপে মানসত সম্প্ৰতি চোৰাং চিকাৰ প্ৰতিৰোধত অভূতপূৰ্ব সফলতা লাভ কৰিব পৰা গৈছে।

তেওঁ কয়, যে বৰ্তমানে মানস ৰাষ্ট্ৰীয় উদ্যানত প্ৰতিমাহে প্ৰায় ৩৮ হাজাৰ কিলোমিটাৰ এলেকাত নিয়মীয়াকৈ তহল দিয়া হয়। কঠোৰ প্ৰচেষ্টা, আধুনিক পহৰাদাৰী ব্যৱস্থা আৰু সজাগ জনসাধাৰণৰ সহযোগিতাই মানসক বন্যপ্ৰাণী সংৰক্ষণৰ অনন্য সফলতাৰ কাহিনীত পৰিণত কৰিছে বুলি তেওঁ উল্লেখ কৰে।

000000

ৰাজ্যত শীঘ্ৰে অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত জনগোষ্ঠীৰ জৰীপ চলোৱা হ'ব। অসম অন্যান্য পিছপৰা শ্ৰেণী আয়োগে এই জৰীপ সম্পন্ন কৰিব। আয়োগৰ কাৰ্যালয়ত অনুষ্ঠিত পৰ্যালোচনা বৈঠকৰ পাছত সামাজিক ন্যায় আৰু সৱলীকৰণ তথা সংখ্যালঘু কল্যাণ আৰু উন্নয়ন মন্ত্ৰী অশ্বিনী ৰয় সৰকাৰে এই বিষয়ে প্ৰকাশ কৰে। অন্যান্য পিছপৰা আৰু অতি অন্যান্য পিছপৰা শ্ৰেণীৰ অন্তৰ্ভুক্ত জাতি-জনগোষ্ঠীৰ বিকাশৰ বাবে এই জৰীপৰ প্ৰয়োজন হৈছে বুলি তেওঁ কয়। তেওঁ কয় যে, নতুনকৈ অন্যান্য পিছপৰা শ্ৰেণীৰ

তালিকাত ৭টা জনগোষ্ঠীক অন্তৰ্ভুক্ত কৰা হৈছে। ১৫ টাৰো অধিক জনগোষ্ঠীক অন্যান্য পিছপৰা শ্ৰেণীৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে বিবেচনাধীন হৈ আছে। এই জৰীপৰ জৰিয়তে যোগ্যসকলে প্ৰাপ্য সুবিধা লাভ কৰিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি মঙলদৈ আৰু তেজপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছৰ যোগান প্ৰকল্প তথা উহানি পথাৰ আৰু গৰৈমাৰীত দুটা CNG প্ৰকল্প ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰে। জনসাধাৰণক নিৰাপদ আৰু স্বচ্ছভাৱে ইন্ধন যোগানৰ বাবে এই পদক্ষেপ লোৱা হৈছে। অসম গেছ কোম্পানী লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেডৰ যুটীয়া উদ্যোগত গঠিত উত্তৰ-পূব গেছ বিতৰণ কোম্পানী লিমিটেডে এই গেছ যোগানৰ আন্তঃগাঁথনি নিৰ্মাণ কৰিছে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে অসমৰ জনসাধাৰণৰ সুবিধা হোৱাকৈ শক্তি খণ্ডৰ যুগান্তকাৰী পৰিৱৰ্তনেৰে আন্তঃগাঁথনিমূলক প্ৰকল্প উৎসৰ্গা কৰা হৈছে। মধ্য প্ৰাচ্যৰ যুদ্ধৰ ফলত বিশ্বৰ শক্তি খণ্ড সংকটৰ সন্মুখীন হৈছিল আৰু ভাৰতত ব্যৱহৃত ৰন্ধন গেছৰ আমদানিতো সমস্যাৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতিত প্ৰধানমন্ত্ৰীয়ে দেশৰ শোধনাগাৰসমূহৰ ৰন্ধন গেছৰ উৎপাদনৰ ক্ষমতা বৃদ্ধি কৰাৰ লগতে পাইপযুক্ত প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰিবলৈ আহ্বান জনাইছে। অসমত প্ৰাকৃতিক গেছ যোগানৰ সৈতে জড়িত কোম্পানীসমূহে ১০-১৫ লাখ গ্ৰাহকক পি এন জি সংযোগ দিব পাৰিলে ৰন্ধন গেছ ৰাহি হ'ব আৰু দেশৰ অৰ্থনৈতিক ক্ষেত্ৰতো বৰঙণি যোগাব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**বাইট (চি এম)**

উল্লেখযোগ্য যে মঙলদৈত ঘৰুৱা পাইপযুক্ত প্ৰাকৃতিক গেছ যোগান আঁচনিৰ অধীনত কমেও ১০০টা পৰিয়ালক ৰন্ধন গেছৰ সংযোগ দিয়া হৈছে আৰু কমেও ৩০টা পৰিয়ালে নিয়মীয়াকৈ গেছৰ যোগান লাভ কৰিবলৈ আৰম্ভ কৰিছে। যোৱা মাৰ্চত তেজপুৰত পাইপযুক্ত প্ৰাকৃতিক গেছ যোগান আৰম্ভ কৰা হৈছিল আৰু সম্প্ৰতি এহেজাৰ ৪০০টাতকৈও অধিক পৰিয়ালক এই ব্যৱস্থাৰে সামৰি লোৱা হৈছে। কালি তেজপুৰৰ পতঞ্জলী আয়ুৰ্বেদ লিমিটেডলৈ ঔদ্যোগিক পাইপযুক্ত প্ৰাকৃতিক গেছ যোগানৰ শুভাৰম্ভ কৰা হয় যদিও পতঞ্জলীয়ে ইতিমধ্যে উত্তৰ-পূব গেছ বিতৰণ লিমিটেডৰ প্ৰায় দৈনিক প্ৰায় ৫ হাজাৰ ষ্টেণ্ডাৰ্ড কিউবিক মিটাৰ গেছ ব্যৱহাৰ কৰি আছে। এই চাহিদা ৬ হাজাৰলৈ বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। এই ব্যৱহাৰ প্ৰায় ৯ হাজাৰ পৰিয়ালৰ ৰন্ধন গেছৰ ব্যৱহাৰৰ সমান বুলি কোৱা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনাৰসকলে দুই শতাংশ বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব। এই মৰগীয়া বানচ পূৰ্বৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। জুলাই মাহৰ দৰমহাৰ সৈতে কৰ্মচাৰীসকলে এই বানচ লাভ কৰিব। ৰাজ্যৰ বিত্ত বিভাগে কালি মৰগীয়া বানচ বৃদ্ধি কৰা সন্দৰ্ভত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰে।

০০০০০০

অসম বিধান সভাৰ কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত কালি ৬ৰ পৰা ৩১ জুলাইলৈ চলিবলগীয়া ২৬ দিনীয়া বাজেট অধিবেশনৰ বিতং কাৰ্যসূচীত অনুমোদন জনোৱা হয়। সেই অনুসৰি বিধানসভাৰ আসন্ন অধিবেশনৰ সময়ছোৱাত মুঠ ২১ দিন বৈঠক অনুষ্ঠিত হ'ব। ১০ জুলাইত বিত্ত মন্ত্ৰীয়ে বাজেট উত্থাপন কৰিব। অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক চন্দ্ৰমোহন

পাটোৱাৰী, জাকিৰ হুছেইন ছিকদাৰ, শ্বেৰমান আলী আহমেদ, মজিবুৰ ৰহমান আৰু ড° জয়প্ৰকাশ দাস উপস্থিত থাকে। সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই ভাৰ্চুৱেল ব্যৱস্থাৰে বৈঠকত ভাগ লয়।

০০০০০০

ধেমাজি জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বান প্ৰস্তুতিমূলক বৈঠকত অংশগ্ৰহণ কৰি সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলাৰ বাবে বিভাগীয় বিষয়াসকলক সাজু থাকিবলৈ নিৰ্দেশ দিয়ে। ধেমাজিৰ জিলা আয়ুক্ত ৰাহুল জাৱীৰ সুৰেশৰ দ্বাৰা আয়োজিত এই বৈঠকত মন্ত্ৰীগৰাকীয়ে বানৰ সময়ত বন্যাৰ্তসকলৰ বাবে আশ্ৰয় শিবিৰ, চিকিৎসা সেৱা, ঔষধ, খাদ্য সামগ্ৰী আৰু বিশুদ্ধ খোৱাপানীৰ উপলব্ধতা সংক্ৰান্তীয় প্ৰস্তুতিৰ বুজ লয় আৰু সকলোধৰণৰ সহায়-সহযোগিতা আগবঢ়াবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে জলসম্পদ বিভাগৰ বিষয়াৰ সৈতে নৈ-কাষৰীয়া অঞ্চলৰ মথাউৰিৰ স্থিতিৰ বিষয়েও বিতংভাৱে আলোচনা কৰে আৰু যাৱতীয় দিহা-পৰামৰ্শ আগবঢ়ায়।

০০০০০০

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ আজি ১২৪ সংখ্যক ওপজা দিন। ৰূপান্তৰেহে জগত ধুনীয়া কৰে বুলি ভৱিষ্যমুখী সমাজ নিৰ্মাণৰ পণ লোৱা সুন্দৰৰ পূজাৰীগৰাকী প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সব্যসাচী শিল্পী আছিল। ১৯০৩ চনৰ এই দিনটোতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত শিল্পীগৰাকীৰ জন্ম হৈছিল। গীত-মাত, সাহিত্য সাধনাৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা শিল্পীগৰাকীৰ সৃষ্টিসমূহে সমাজৰ সকলো স্তৰৰ লোকক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সুন্দৰৰ সাধক ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাক ওপজা দিনত শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে অসমৰ কলা-সংস্কৃতি, সাহিত্য-সংগীত আৰু চলচ্চিত্ৰ ক্ষেত্ৰলৈ শিল্পীগৰাকীয়ে আগবঢ়াই যোৱা অনন্য বৰঙণিয়ে অসমীয়া জাতিৰ আত্মপৰিচয়ক অধিক শক্তিশালী কৰাৰ লগতে সমাজত ঐক্য, সম্প্ৰীতি আৰু মানৱতাৰ মহান বাৰ্তাক প্ৰসাৰিত কৰিছে বুলি মন্তব্য কৰে। ০০০০০০০

০০০০০০

অসম সাহিত্য সভা আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যুটীয়া উদ্যোগত ধেমাজি জিলাৰ গোগামুখত দিনজোৱা কাৰ্যসূচীৰে অহা ২০ জুনত কলাগুৰু বিষ্ণুৰাভা দিৱস অনুষ্ঠিত হ'ব। এই অনুষ্ঠানতে বিশিষ্ট লোকশিল্পী তৰাৱতী মিলি বড়িলৈ ২০২৬ বৰ্ষৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী, অৰণ্য মানৱ পদ্মশ্ৰী সন্মানেৰে বিভূষিত যাদৱ পায়েং, মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু শংকৰদেৱ সংঘৰ পদাধিকাৰ ড° ভৱেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি সাক্ষ্য প্ৰদানৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰী বিপুল ফুকন, জিতু ফুকন, বিকাশ শইকীয়া আৰু যাদৱ শইকীয়ালৈ চমন জাৰি কৰা হৈছে। আদালতত কালি ৩ গৰাকী সাক্ষী মৌচম বৰা, গৌৰাংগ দত্ত আৰু দিগন্ত দাসে সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত পক্ষৰ অধিবক্তাসকলে তিনিওগৰাকী সাক্ষীকে প্ৰশ্ন কৰে। উল্লেখযোগ্য

যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। মেলাত অংশগ্ৰহণ কৰিবলগীয়া হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ বাবে সুৰক্ষিত, সুগম আৰু  স্বাচ্ছন্দ্যপূৰ্ণ তীৰ্থযাত্ৰাৰ অভিজ্ঞতা নিশ্চিত কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যাপক প্ৰস্তুতি আৰু ব্যৱস্থা গ্ৰহণ কৰিছে। অম্বুবাচী মেলাৰ সময়ছোৱাত তীৰ্থযাত্ৰীৰ ভিৰ বহুগুণে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ-পূব সীমান্ত ৰে'লৱেই বিশেষ ৰে'লৰ চলাচল, অহৰ্নিশে টিকট বিক্ৰীৰ সুবিধা, অতিৰিক্ত সুৰক্ষা কৰ্মী নিয়োগ, হেল্প ডেস্ক আৰু অনুসন্ধান কেন্দ্ৰ স্থাপন তথা তীৰ্থযাত্ৰীৰ বাবে খাদ্যৰ পেকেট আৰু খোৱাপানী বিতৰণ আদিৰ অন্তৰ্ভুক্তিৰে বিভিন্ন যাত্ৰীকেন্দ্ৰিক ব্যৱস্থা গ্ৰহণ কৰিছে। তীৰ্থযাত্ৰীৰ প্ৰত্যাশিত ভিৰৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি অম্বুবাচীৰ প্ৰাক্‌ক্ষণত উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰায় ৫০ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ দবাসহ তিনিখন বিশেষ অসংৰক্ষিত ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে, যিয়ে কামাখ্যাক অসম আৰু উত্তৰ-বংগৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ সৈতে সংযোগ কৰিব।

ইয়াৰ উপৰি মেলাৰ সময়ছোৱাত যাত্ৰীৰ বহনক্ষমতা বৃদ্ধি কৰাৰ অৰ্থে বিভিন্ন নিয়মীয়া যাত্ৰীবাহী ৰে'লত ১১ টা অতিৰিক্ত সাধাৰণ দ্বিতীয় শ্ৰেণীৰ দবা সংযোজন কৰা হৈছে। তদুপৰি কামাখ্যা, গুৱাহাটী আৰু অন্যান্য গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত ৰে'ল সুৰক্ষা বাহিনী, চৰকাৰী ৰে'ল আৰক্ষী, বাণিজ্যিক আৰু কাৰিকৰী বিভাগৰ পৰা অতিৰিক্ত কৰ্মচাৰীও নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে অম্বুবাচী মেলাৰ সময়ত তীৰ্থযাত্ৰীসকলক নিৰ্দেশনা, তথ্য আৰু অন্যান্য সাহায্য সেৱা প্ৰদানৰ অৰ্থে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তৰফৰ পৰা স্কাউট আৰু গাইডৰ প্ৰায় ২০০ গৰাকী স্বেচ্ছাসেৱকো নিয়োগ কৰা হৈছে।

০০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা নিউ জাৰ্ছি ষ্টেডিয়ামত অনুষ্ঠিত আই গ্ৰুপৰ এখন খেলত ফ্ৰান্সে ছেনেগালক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত ফ্ৰান্সৰ এমবাপ্পেই দ্বিতীয়টো গ'ল দিয়াৰ লগে লগে খেলুৱৈগৰাকী দেশখনৰ হৈ আন্তঃৰাষ্ট্ৰীয় খেলত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰূপে পৰিগণিত হয়। খেলুৱৈগৰাকীয়ে এইপৰ্যন্ত আন্তঃৰাষ্ট্ৰীয় খেলত ফ্ৰান্সৰ হৈ ৫৮টা গ'ল দিছে। এই কৃতিত্ব অৰ্জনৰ বাটত তেওঁ বিশ্বকাপত সৰ্বাধিক গ'ল দিয়া খেলুৱৈৰ তালিকাত আৰ্জেণ্টিনাৰ লিঅ'নেল মেছিক অতিক্ৰম কৰে। আনহাতে, এই গ্ৰুপৰে যোৱানিশা অনুষ্ঠিত আন এখন খেলত ন'ৰৱেই ইৰাকৰ বিৰুদ্ধে ৪-১ গ'লৰ ব্যৱধানত বিজয় অৰ্জন কৰে।

ইফালে, প্ৰতিযোগিতাত আজি বিগত বৰ্ষৰ চেম্পিয়ন আৰ্জেণ্টিনাই জয়েৰে অভিযান আৰম্ভ কৰিছে। পুৱা অনুষ্ঠিত গ্ৰুপ-জেৰ খেলখনত তিনিবাৰকৈ বিশ্বকাপ দখল কৰা দলটোৱে অধিনায়ক লিঅ'নেল হেট্ৰিকৰ গৌৰৱেৰে আলজেৰিয়াৰ বিৰুদ্ধে ৩-০ গ'লত জয় অৰ্জন কৰিছে।

বিশ্বকাপৰ আজি ভাৰতীয় সময় অনুসৰি পুৱা চাৰে ৯ বজাত অষ্ট্ৰিয়াই জৰ্ডানৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে নিশা চাৰে ১০ বজাত পৰ্টুগলে ডি আৰ কংগোৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব। আনহাতে, নিশা ডেৰ বজাত ইংলেণ্ড আৰু ক্ৰুৱেছিয়াই নিজৰ প্ৰথম খেলত অংশ ল'ব।

০০০০০০

ভাৰত আজি আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি লিডছৰ হেডিংলেত সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। ভাৰতে গ্ৰুপৰ প্ৰথম খেলত পাকিস্তানৰ মহিলা দলক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

ভাৰত আৰু আফগানিস্তান পুৰুষ ক্ৰিকেট দলৰ মাজত চলি থকা তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি চেন্নাইত অনুষ্ঠিত হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত কাকতসমূহে জি ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ, ৰাজ্যৰ চৰকাৰী কৰ্মচাৰী আৰু পেঞ্চনাৰলৈ দুই শতাংশ মৰগীয়া বানচ বৃদ্ধি, জাপানৰ প্ৰধানমন্ত্ৰীৰ সমাগত অসম ভ্ৰমণ, ৰাজ্যত উদ্ভৱ হোৱা জাপানীজ এনকেফেলাইটিছজনিত পৰিস্থিতিত অসম বিধানসভাৰ পূৰ্ণাংগ বাজেট আদিকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

**অসমীয়া প্ৰতিদিন** কাকতে ব্ৰিটিছ মিউজিয়ামত বৃন্দাবনী বস্ত্ৰ আৰু আসাম বিলাসিনী প্ৰত্যক্ষ কৰি ড° পীতাম্বৰ দেৱগোস্বামী আৱেগিক হৈ উঠাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

ইপিনে, জি ছেভেন ৰাষ্ট্ৰগোষ্ঠীৰ সন্মিলনৰ বাবে ফ্ৰান্সলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্ল'ভাকিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে বিভূষিত কৰাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতে একেটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে এই সন্মান প্ৰধানমন্ত্ৰীগৰাকীয়ে ১৪০ কোটি ভাৰতীয়ৰ নামত উচৰ্গা কৰা বুলি বিশেষভাৱে উল্লেখ কৰিছে। কাকতখনে ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কাৰ্যকলাপ 'পাঁচ বছৰত চোৰাং চিকাৰীৰ হাতত মৃত্যু মাত্ৰ ৭টা গঁড়ৰ ' শিৰোনামেৰে এটা আশাৰ বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

**আমাৰ অসম** কাকতে বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ অখেলুৱৈসুলভ মনোভাৱৰ বাবে ইৰানে খেলত স্বাভাৱিক ছন্দ লাভ নকৰা বুলি এটা খেলৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। কাকতখনে ৰাজ্যত জাপানীজ এনকেফেলাইটিছৰ শেহতীয়া পৰিস্থিতিৰ বিষয়ে এটা বাতৰিও প্ৰকাশ কৰিছে।

**দৈনিক অসম** কাকতে বিশ্বৰ শ্ৰেষ্ঠ পাঁচ শতাংশ বিজ্ঞানীৰ তালিকাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৪ গৰাকী অধ্যাপকে স্থান লাভ কৰাৰ বাতৰিটো গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

ইপিনে, ৰাজ্যত ক্ৰমাগতভাৱে পৰ্যটকৰ সংখ্যা বৃদ্ধি পোৱাৰ বাতৰিটোক **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আকৌ **দা ছেণ্টিনেল** কাকতে এতিয়াৰেপৰা কাহৰ ছিৰাপ ফাৰ্মাচীৰ পৰা কিনিবলৈ চিকিৎসকৰ নিদানপত্ৰ বাধ্যতামূলক হ'ব বুলি চৰকাৰে জাননী জাৰি কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ।

০০০০০০

ভাৰতীয় সেনাবাহিনীৰ অৱসৰী ছুবেদাৰ মেজৰ তথা বিশিষ্ট আইনজীৱি প্ৰতাপ কুমাৰ শৰ্মাৰ ৮১ বছৰ বয়সত আজি পুৱতি নিশা কামৰূপৰ লেজাৰ নিজা বাসভৱনত দেহাৱসান ঘটে। উল্লেখযোগ্য যে জীৱিত

কালত নেত্ৰদান কৰি যোৱা হেতুকে দেহাৱসানৰ পাছত তেওঁৰ চকুযুৰি গুৱাহাটীৰ শংকৰদেৱ নেত্ৰালয়ৰ চিকিৎসা কৰ্মীৰ দলে সংগ্ৰহ কৰে।

হাউলীৰ মৌটুপুৰী গাঁৱৰ বাসিন্দা, বি এইচ কলেজৰ প্ৰাক্তন অধ্যাপক আৰু দীনদয়াল মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ গুণীন্দ্ৰ নাথ দাসৰ কালি পাটনা হাস্পতালত দেহাৱসান ঘটে। তেওঁৰ মৃত্যুত শোকৰ ছাঁ পৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে বিজুলী-ঢেৰেকনিৰে মজলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**